**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 24-OCT-2025
**Time :** 0755 Hrs

***Assamese Morning Bulletin***

——————————————

ৰাজ্যৰ প্ৰায় চাৰি লাখ চাহ জনগোষ্ঠীৰ পৰিয়ালক মাটিৰ পট্টা প্ৰদান কৰা হ'ব। মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাৰ অধ্যক্ষতাত কালি দিছপুৰৰ লোকসেৱা ভৱনত অনুষ্ঠিত মন্ত্ৰী সভাৰ বৈঠকত এই সিদ্ধান্ত গ্ৰহণ কৰা হয়। বৈঠকৰ পাছত এখন সংবাদমেলত মুখ্যমন্ত্ৰীগৰাকীয়ে কয়, যে চাহ জনগোষ্ঠীৰ লোকসকলক বাগিচাৰ লাইনৰ মাটিৰ পট্টা দিয়াৰ সন্দৰ্ভত বিতংভাৱে আলোচনা কৰি এই সম্বন্ধীয় প্ৰস্তাৱত নীতিগতভাৱে অনুমোদন জনোৱা হয়। কাইলৈ জিলা আয়ুক্তসকলৰ সৈতে এই সন্দৰ্ভত বৈঠক অনুষ্ঠিত হ'ব বুলি মুখ্যমন্ত্ৰী শৰ্মাই জানিবলৈ দিয়ে। মন্ত্ৰীসভাই মৰাণ, মটক আৰু চাহ জনগোষ্ঠীৰ লোকসকলক জনসংখ্যা নীতিৰ আওতাৰ পৰা আঁতৰাই ৰখাৰ সিদ্ধান্তত অনুমোদন জনায়। জনসংখ্যা নীতি অনুসৰি দুটাতকৈ অধিক সন্তান থকা লোকে চৰকাৰী চাকৰি লাভ কৰিব নোৱাৰে অথবা পঞ্চায়ত নিৰ্বাচন খেলিব নোৱাৰে। মন্ত্ৰীসভাৰ বৈঠকত চাহ শ্ৰমিক আৰু মৰাণ, মটক সম্প্ৰদায়ৰ লোকসকলক এই নীতিৰ পৰা ৰেহাই দিয়াৰ সিদ্ধান্ত লোৱা হয় বুলি মুখ্যমন্ত্ৰীয়ে প্ৰকাশ কৰে।

*(বাইট ঃ মুখ্যমন্ত্ৰী)*

ৰাজ্যিক মন্ত্ৰীসভাই বিশেষ নিযুক্তি অভিযানৰ জৰিয়তে সমগ্ৰ শিক্ষা অভিযান, অসমৰ অধীনত কৰ্মৰত শিক্ষকসকলৰ চৰকাৰী চাকৰি নিয়মীয়াকৰণৰ সীমা পূৰ্বৰ পাঁচ বছৰৰ পৰা তিনি বছৰলৈ হ্ৰাস কৰাৰ সিদ্ধান্ত লৈছে। ইয়াৰ ফলত সমগ্ৰ শিক্ষা অভিযানত কৰ্মৰত প্ৰায় তিনি হাজাৰ শিক্ষক উপকৃত হ'ব বুলি ড০ শৰ্মাই প্ৰকাশ কৰে। তেওঁ লগতে কয়, যে পুৰুষ শিক্ষকৰ বদলিৰ ক্ষেত্ৰত কৰ্মস্থলীত সম্পূৰ্ণ কৰিবলগীয়া পূৰ্বৰ ১০ বছৰৰ সময়সীমা এতিয়াৰে পৰা সাত বছৰলৈ হ্ৰাস কৰা হৈছে। ইপিনে, আছাম পেট্ৰ'কেমিকেলছ লিমিটেডৰ দৈনিক ৫০০ টন সামৰ্থৰ মিথালন প্ৰকল্প আৰু ২০০ টন সামৰ্থৰ ফৰমেলিন প্ৰকল্পৰ ব্যয় দুহেজাৰ ২৬৭ দশমিক ২-২ কোটি টকালৈ বৃদ্ধিত অনুমোদন জনোৱা হৈছে। ১৯৮৩ চনৰ নেলী হত্যাকাণ্ডৰ সন্দৰ্ভতো মন্ত্ৰীসভাই গুৰুত্বপূৰ্ণ সিদ্ধান্ত গ্ৰহণ কৰে। ড০ শৰ্মাই কয়, যে নেলীত সংঘটিত নৰসংহাৰৰ ঘটনাৰ প্ৰেক্ষাপটত গঠন কৰা তিৱাৰী আয়োগৰ প্ৰতিবেদন অহা নৱেম্বৰত হ'বলগীয়া অসম বিধানসভাৰ অধিৱেশনত দাখিল কৰা হ'ব।

০০০০০০

মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই দুদিনীয়া কাৰ্যসূচীৰে কাছাৰ আৰু শ্ৰীভূমি জিলা ভ্ৰমণ কৰি কেইবাটাও উন্নয়নমূলক কাৰ্যসূচীত অংশগ্ৰহণ কৰিব। মুখ্যমন্ত্ৰীয়ে আজি শ্ৰীভূমি জিলাৰ ৰামকৃষ্ণ নগৰত মুখ্যমন্ত্ৰী মহিলা উদ্যমিতা অভিযানৰ অধীনত আত্মসহায়ক গোটৰ মহিলাসকলক চেক বিতৰণ কৰিব। মহিলাসকলক আৰ্থিকভাৱে স্বাৱলম্বী কৰি তোলাৰ লগতে আত্মনিৰ্ভৰশীল আৰু উদ্যোগী মনোভাৱ গঢ়ি তোলাৰ লক্ষ্যৰে এই কাৰ্যসূচী চৰকাৰে গ্ৰহণ কৰিছে। শিলচৰৰ পুলিচ পেৰেড গ্ৰাউণ্ডতো মুখ্যমন্ত্ৰীয়ে দুপৰীয়াৰ ভাগত শিলচৰ বিধানসভা সমষ্টিৰ ১৩ হাজাৰতকৈও অধিক আত্ম সহায়ক গোটৰ মহিলাক চেক প্ৰদান কৰিব। বিয়লিৰ ভাগত মুখ্যমন্ত্ৰীয়ে শিলচৰ চিকিৎসা মহাবিদ্যালয় হাস্পতাল পৰিদৰ্শন কৰি ২০৮ খন বিচনাযুক্ত প্ৰস্তাৱিত ছুপাৰ স্পেচিয়েলিটী চিকিৎসালয়ৰ আধাৰশিলা স্থাপন কৰিব। মুখ্যমন্ত্ৰীয়ে সন্ধিয়া শিলচৰ লোকসভা সমষ্টিৰ বিজেপিৰ বুথ সভাপতি আৰু শক্তিকেন্দ্ৰ বৈঠকতো অংশগ্ৰহণ কৰিব। মুখ্যমন্ত্ৰীয়ে কাইলৈ পুৱা লক্ষীপুৰ বিধানসভা সমষ্টিৰ বিন্নাকান্দি মণ্ডল বিজেপিৰ কাৰ্যালয় আৰু লক্ষীপুৰ মণ্ডল বিজেপিৰ কাৰ্যালয়

উদ্বোধন কৰিব। শ্ৰী শৰ্মাই কাইলৈ লাবক খেলপথাৰত লক্ষীপুৰ বিধানসভা সমষ্টিৰ ১৯ হাজাৰৰো অধিক মহিলাক মুখ্যমন্ত্ৰী মহিলা উদ্যমিতা অভিযানৰ চেকসমূহ বিতৰণ কৰিব।

০০০০০০

ৰাজ্য চৰকাৰৰ পশুধন স্বাস্থ্য আৰু ৰোগ প্ৰতিৰোধ আঁচনিৰ অধীনত পশুধনসমূহৰ সুৰক্ষাৰ বাবে ৰাজ্যজুৰি ষষ্ঠ পৰ্যায়ৰ ছিটা প্ৰদান অভিযান চলি আছে। ধেমাজি জিলা পশুপালন আৰু পশু চিকিৎসা বিভাগৰ সহযোগত গৰু-ম'হৰ ক্ষেত্ৰত হোৱা এবিধ সংক্ৰামক বেমাৰ চবকা প্ৰতিৰোধৰ বাবে কালিৰে পৰা পঞ্জীভুক্ত পশুধনক চবকাৰ প্ৰতিষেধক প্ৰদান কৰা হৈছে। জিলাখনৰ পোহনীয়া গৰুৰ সংখ্যা অনুসৰি অহা দুমাহত মুঠ ২ লাখ ৪৫ হাজাৰ ৮২১ টা প্ৰতিষেধক প্ৰদান কৰা হ'ব।

০০০০০০

কাৰ্বি আংলং স্বায়ত্ত শাসিত পৰিষদৰ ৩২২ সংখ্যক অধিৱেশন আজি ডিফুত অনুষ্ঠিত হ'ব। কাৰ্বি আংলং স্বায়ত্ত শাসিত পৰিষদৰ অধ্যক্ষ ৰাজু তিছ'ৰে এই বৈঠকত অধ্যক্ষতা কৰিব। পৰিষদে গ্ৰহণ কৰা বিভাগীয় উন্নয়নমূলক আঁচনিসমূহৰ বিষয়ে এই বৈঠকত আলোচনা কৰা হ'ব।

০০০০০০

ধেমাজি জিলাৰ গোগামুখত কালি মিছিং স্পৰ্টছ কাৰ্নিভেল ২০২৫ আৰম্ভ হয়। তৃতীয়বাৰৰ বাবে অনুষ্ঠিত এই ক্ৰীড়া মহোৎসৱত ৰাজ্যৰ ১৭ খন জিলাৰ ৩ হাজাৰ নিৰ্বাচিত খেলুৱৈয়ে বিভিন্ন ইভেণ্টত অংশ ল'ব। কালি পুৱা প্ৰাণৰ শিল্পী জুবিন গাৰ্গলৈ শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰি অনুষ্ঠানৰ শুভাৰম্ভণি কৰা হয়। ধেমাজি জিলা আয়ুক্ত ৰাহুল সুৰেশ জাৱিৰে গেমছ ভিলেজৰ আদৰণি তোৰণ মুকলি কৰে। মিচিং জাতীয় সংগঠন টি এম পি কেৰ উদ্যোগত আৰু মিচিং স্বায়ত্ত শাসিত পৰিষদৰ মুখ্য পৃষ্ঠপোষকতাত অনুষ্ঠিত এই মহোৎসৱৰ পৰহিলৈ সামৰণি পৰিব।

০০০০০০

সমাপ্ত